# ডিব্ৰুগড়ত বুকবাইণ্ডিং বিষয়ক কৰ্মশালা সম্পন্ন

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১১ অক্টোবৰ ঃ অসমত পোন প্ৰথমবাৰৰ বাবে ডিব্ৰু মহাবিদ্যালয় কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ উদ্যোগত লাইব্ৰেৰী বুক বাইণ্ডিং এণ্ড মেণ্ডিং বিষয়ক কৰ্মশালা ৭ অক্টোবৰৰপৰা ১০ অক্টোবৰলৈ অনুষ্ঠিত হয়। উদ্বোধনী অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে 'আহমেদ বাইণ্ডিং এণ্ড শ্বপ'ৰ স্বত্বাধিকাৰী শ্বেইখ আছিক আহমেদ আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক যাদবজ্যোতি শইকীয়া। শইকীয়াই 'Philosophical and Practical issues of Library Book Binding and Mending' শীৰ্ষক বিষয়ত গ্ৰন্থ এখনৰ আয়ুস বঢ়াবলৈ মেণ্ডিং অংশটো বেছি গুৰুত্বপূৰ্ণ আৰু প্ৰত্যেক গ্ৰন্থাগাৰতেই এটা বাইণ্ডিং এণ্ড প্ৰিজাৰভেশ্যনৰ আছুতীয়া কক্ষ থাকিব লাগে বুলি মত প্ৰকাশ কৰে। ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ আধাৰত ছাত্ৰ-ছাত্ৰীক কাৰ্যদক্ষ (skilled) নাগৰিক হিচাপে গঢ়াৰ মানসেৰে অনুষ্ঠিত এই কৰ্মশালাখন উদ্বোধন কৰে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ৰঞ্জন চাংমায়ে। ডিব্ৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক তথা কৰ্মশালাৰ সমন্বয়ক দীপিকা দাসে উদ্দেশ্য ব্যাখ্যা কৰি কয় যে গ্ৰন্থৰ সাঁচন-সামৰণৰ জৰিয়তে ভৱিষ্যৎ প্ৰজন্মলৈ গ্ৰন্থখন সংৰক্ষণ কৰি ৰাখিবলৈ বৈজ্ঞানিক পদ্ধতিৰে কৰা বাইণ্ডিঙৰ প্ৰয়োজনীয়তা অধিক। অনুষ্ঠানটোত বুক বাইণ্ডিং শিক্ষণ-প্ৰশিক্ষণ আৰু বৃত্তি হিচাপে ল'লে ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে ব্যৱসায়িক ভিত্তিত প্ৰতিষ্ঠিত হোৱাৰ লক্ষ্যৰে আগবাঢ়িব পাৰিব বুলি উপাধ্যক্ষ চন্দনা গগৈয়ে বক্তব্য আগবঢ়ায়। কৰ্মশালাখনৰ প্ৰশিক্ষণ দিয়ে শ্বেইখ আছিক আহমেদে। কৰ্মশালাখনৰ শেষত অংশগ্ৰহণকাৰীসকলে Spiral Binding, Soft Binding and Hard Binding শিকি সমন্বয়ক দীপিকা দাসৰ হাতত তিনিখনকৈ গ্ৰন্থ জমা কৰে। সামৰণী অনুষ্ঠানত মৰাণ বাণিজ্য মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক নয়নমণি বৰাই কয় যে কৰ্মশালাখনত অংশগ্ৰহণ কৰি যথেষ্ট সুখী হৈছোঁ আৰু গ্ৰন্থাগাৰটো সুপৰিচালনাৰে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হ'ব। অনুষ্ঠানত ভাষণ আগবঢ়াই ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ৰঞ্জন চাংমায়ে আৰু চন্দনা গগৈয়ে লগতে অংশগ্ৰহণকাৰীক প্ৰমাণ-পত্ৰ বিতৰণ কৰে ডি এইচ এছ কে বাণিজ্য মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক সংগীতা শেনচোৱা গগৈয়ে। গ্ৰন্থাগাৰিক দীপিকা দাসে অনুষ্ঠানটোৰ আঁত ধৰাৰ লগতে শলাগৰ শৰাই আগবঢ়ায়।